# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-04-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin

## Headlines

১। এন আৰ চিত আবেদন নকৰাকৈ অসমত আধাৰ কাৰ্ড লাভ কৰা লোকৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে অতি শীঘ্ৰে অভিযান চলাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

২। ৰাজ্যত শাসক-বিৰোধীৰ পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ তুংগত।

৩। গুৱাহাটী-ডিব্ৰুগড়ৰ মাজৰ বিকল্প ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ কাম ৩১ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীৰ আশা প্ৰকাশ।

৪। ৰাজ্যজুৰি আজি মহাপুৰুষ দামোদৰ দেৱৰ ৪২৭ সংখ্যক তিৰোভাব তিথি পালন।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত দেলহী কেপিটেলছৰ বিৰুদ্ধে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ ৬ উইকেটত জয়লাভ।

০০০০০০০

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত আবেদন নকৰাকৈ অসমত আধাৰ নম্বৰ উলিওৱা লোকৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে অতি শীঘ্ৰে অভিযান চলাব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। অহা দুই-চাৰি দিনতে অসমত এই অভিযান আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কালি এই কথা সদৰি কৰি কয়, যে বহু লোকে এন আৰ চিৰ সময়ত আবেদন কৰা নাছিল যদিও তেওঁলোকে অসমত আধাৰ কাৰ্ড লৈছিল। এনে লোকসকলৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে ব্যৱস্থা ল'ব বুলিও তেওঁ কয়। আনহাতে যোৱা কিছু বছৰত অসমত প্ৰৱেশ কৰা অবৈধ নাগৰিকসকলক  উলিয়াই পঠিওৱাৰ বাবে ব্যৱস্থা ল'বলৈ ৰাজ্য চৰকাৰে পৰিকল্পনা যুগুত কৰিছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছে। সামাজিক মাধ্যমত ভুৱা একাউণ্ট চলাই থকা লোকসকলৰ বিৰুদ্ধেও চৰকাৰে চোকা দৃষ্টি ৰখা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এনে ভুৱা একাউণ্ট দেখিলে ৰাইজক আৰক্ষীক অৱগত কৰিবলৈ আহ্বান জনাইছে। ইতিমধ্যে আৰক্ষীক এই বিষয়ে কঠোৰ ব্যৱস্থা ল'বলৈ চৰকাৰে নিৰ্দেশ দিয়া বুলিও মুখ্যমন্ত্ৰীয়ে সদৰি কৰিছে।

০০০০০০০

আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে শাসক-বিৰোধীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডং হিমন্ত বিশ্ব শৰ্মায়ো প্ৰতিদিনে দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলাই আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি ডিব্ৰুগড়ত কেইবাখনো নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ডং শৰ্মাই

জিলাখনৰ টিংখং বিধানসভা সমষ্টিত দলীয় প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে। এই উপলক্ষে টিংখং উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত অনুষ্ঠিত বিজয় সংকল্প সভাত তেওঁ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনায়।

শিৱসাগৰ নগৰৰ সমীপৰ দৰিকাপাৰ নাওজান গাঁৱত মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা পীযুষ হাজৰিকাই নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

শিক্ষামন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ডাঃ ৰণোজ পেগুৱে কালি ধেমাজিৰ দিৰপাই মহৰীকেম্প, চিচিবৰগাঁৱৰ যোৰকটা আৰু মাছখোৱাত নিৰ্বাচনী প্ৰচাৰ চলায়।

একেদৰে বিৰোধী দল কংগ্ৰেছে ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ অব্যাহত ৰাখিছে। দলৰ সভাপতি ভূপেন কুমাৰ বৰা আৰু সাংসদ গৌৰৱ গগৈয়ে বিভিন্ন অঞ্চলত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। দলৰ সভাপতি ভূপেন কুমাৰ বৰাই কালি শোণিতপুৰ জিলাৰ বিভিন্ন স্থানত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। দলৰ নেতা ৰিপুণ বৰাইও কালি গহপুৰত নিৰ্বাচনী প্ৰচাৰত অংশ লয়।

ধেমাজি জিলাত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দলীয় প্ৰাৰ্থীৰ হৈ ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলায়। দক্ষিণ শালমাৰা মানকাচৰ জিলাত কালি বিধায়ক আমিনুল ইছলামে এ আই ইউ ডি এফৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

ইপিনে বিভিন্ন জিলা প্ৰশাসনে নিৰ্বাচনৰ বাবে প্ৰস্তুতিৰ অন্তিম পৰ্যায়ত উপনীত হৈছে। প্ৰশাসনসমূহে নিৰ্বাচনী বিষয়াৰ প্ৰশিক্ষণকে ধৰি যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। হাইলাকান্দি জিলাত পঞ্চায়ত নিৰ্বাচন শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা লৈছে। জিলাখনৰ ১৭০ টা স্পৰ্শকাতৰ ভোটকেন্দ্ৰ চিনাক্ত কৰি বিশেষ ব্যৱস্থা লোৱা হৈছে। ৩ হাজাৰ ৩২ গৰাকী বিষয়া কৰ্মচাৰীক নিৰ্বাচনৰ বাবে নিয়োগ কৰা হৈছে। জিলাখনত ৪ লাখ ৪৯ হাজাৰ ১৮৮ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব।

০০০০০০০

পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলি থকাৰ মাজতে কালি নগাঁও জিলাৰ ধিঙৰ ওপৰ ডুমডুমীয়াত সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়িকা শিৱামণি বৰাৰ ওপৰত একাংশ দুৰ্বৃত্তই আক্ৰমণ সংঘটিত কৰে। দুয়োগৰাকী নেতাই ডুমডুমীয়াৰ শ্লুইছ গে'টত বালিসত্ৰ জিলা পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ সভাত অংশ লৈ ধিং অভিমুখে আহি থকা অৱস্থাত এটা ১৫ জনীয়া দুৰ্বৃত্তৰ দলে তেওঁলোকক আক্ৰমণ কৰে। মুখত ক'লা কাপোৰ বান্ধি অহা দলটোৱে সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু কংগ্ৰেছৰ মুখপাত্ৰ মহছেন খানৰ দুখন গাড়ী ভাগি চূৰমাৰ কৰে। এই আক্ৰমণত সাংসদগৰাকীৰ লগতে মামাই পেগু, কংগ্ৰেছৰ মুখপাত্ৰ মহছেন খান, বিধায়িকা শিৱামণি বৰাৰ লগতে কেইবাজনো দলীয় কৰ্মী আহত হয়। পাছত আটাইকেইগৰাকী শ'লগুৰি উপ-আৰক্ষী চকীত উপস্থিত হৈ বিষয়টো আৰক্ষীক অৱগত কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, কেন্দ্ৰীয় নেতা জিতেন্দ্ৰ সিঙে এই আক্ৰমণৰ ঘটনাক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে ঘটনাৰ উচিত তদন্তৰ দাবী জনাইছে।

০০০০০০০

ডিব্ৰুগড় চহৰক অসমৰ দ্বিতীয় ৰাজধানী হিচাপে মৰ্যাদা প্ৰদান কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ডিব্ৰুগড় চহৰৰ ব্যস্ততাপূৰ্ণ অঞ্চল কনভয় ৰোড আৰু পুৰণি ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ সংযোগস্থলত নিৰ্মাণ কৰা উৰণ সেতু আৰু থানা চাৰিআলিৰ-চৌকিডিঙি চাৰিআলিৰ মাজৰ মানকটা পথৰ নৱনিৰ্মিত উৰণ সেতু উদ্বোধন কৰি কালি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ডিব্ৰুগড়ত মুখ্যমন্ত্ৰী সচিবালয় আৰু অসম সচিবালয় নিৰ্মাণৰ কাম অহা ছেপ্তেম্বৰত আৰম্ভ কৰা হ'ব। জিলাখনত বিধানসভা ভৱন, পোন্ধৰশ ব্যক্তি একেলগে বহিব পৰা প্ৰেক্ষাগৃহ, বিধায়কসকলৰ আবাস আৰু ১০০ খন বিচনাযুক্ত আৰৰ্তভৱন নিৰ্মাণ কৰা বিষয়টো উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে অসম বিধানসভাৰ অধিৱেশন বছৰত দুবাৰ গুৱাহাটীত আৰু দুবাৰ ডিব্ৰুগড়ত অনুষ্ঠিত কৰা হ'ব। গুৱাহাটী-ডিব্ৰুগড়ৰ মাজৰ বিকল্প ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ কাম অহা ৩১ ডিচেম্বৰৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। এই ৰাষ্ট্ৰীয় ঘাইপথটো মুকলিৰ বাবে তেওঁ মৰাণত বিমানেৰে অৱতৰন কৰিব বুলি আশা প্ৰকাশ কৰি এই পথটোৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে গুৱাহাটীৰ পৰা ডিব্ৰুগড় ৫ ঘণ্টাৰ ভিতৰত গৈ পোৱাটো সম্ভৱ হ'ব বুলি তেওঁ কয়।

ডিব্ৰুগড় পৌৰ নিগমৰ আয়ুক্ত হিচাপে এগৰাকী ভাৰতীয় প্ৰশাসনিক বিষয়াক নিযুক্তি দিয়াৰ বাবে ৰাজ্য চৰকাৰে সিদ্ধান্ত লোৱা বুলিও তেওঁ কয়। নামৰূপ সাৰ কাৰখানা পুনৰ উজ্জীৱিত কৰাৰ লগতে নতুন সাৰ কাৰখানা নিৰ্মাণৰ দিশত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। নুমলীগড় শোধনাগাৰে নামৰূপত ৭০০ কোটি টকা ব্যয় সাপেক্ষে এটা মিথালন প্ৰকল্প গঢ়ি তুলিব বুলিও তেওঁ সদৰি কৰে।  গহপুৰ আৰু নুমলীগড়ৰ মাজত ১২ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে সুৰংগ নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত তেওঁ কাজিৰঙাত ৩২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলিভেটেড ক'ৰিড'ৰৰ কথা উল্লেখ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সন্ধিয়া ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাসমূহ প্ৰদান কৰিব। দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ তিনিটা পৰ্যায়ত প্ৰদান কৰা হয়- পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী। শিক্ষা, সমাজসেৱা, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া তথা অসামৰিক সেৱাকে ধৰি বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱাৰ বাবে এই বঁটাসমূহ প্ৰদান কৰা হয়। এই বছৰ গণৰাজ্য দিৱসৰ প্ৰাকক্ষণত চৰকাৰে ১৩৯টা পদ্ম বঁটা ঘোষণা কৰিছিল। য'ত ৭টা পদ্ম বিভূষণ, ১৯টা পদ্মভূষণ আৰু ১১৩ পদ্মশ্ৰী বঁটা আছে। পদ্ম বিভূষণ বঁটা লাভ কৰা বিশিষ্ট ব্যক্তিসকলৰ ভিতৰত ভায়লিনবাদক তথা সুৰকাৰ ড০ এল সুব্ৰমনিয়ম আৰু গেষ্ট্ৰ'এণ্ট্ৰ'লজিষ্ট ডা০ নাগেশ্বৰ ৰেড্ডী আছে। পদ্মভূষণ বঁটা লাভ কৰা বশিষ্ট ব্যক্তিসকলৰ ভিতৰত বিশিষ্ট সম্পাদক আৰু প্ৰচাৰ ভাৰতীৰ প্ৰাক্তন অধ্যক্ষ এ সূৰ্য প্ৰকাশ, চলচ্চিত্ৰ অভিনেতা অনন্ত নাগ, নন্দামুৰী বালাকৃষ্ণ আৰু এছ অজিত কুমাৰ, ভাৰত নাট্যম নৃত্যশিল্পী শ'বনা চন্দ্ৰকুমাৰ আৰু ভাৰতীয় হকী দলৰ প্ৰাক্তন অধিনায়ক পি আৰ শ্ৰীজেছ আছে।

০০০০০০০

মহাপুৰুষ দামোদৰ দেৱৰ ৪২৭ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন সত্ৰ-নামঘৰত ধৰ্মীয় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একাগ্ৰ ভক্তিবাদ বৈদিক তত্ব সৃষ্টিৰে বৈষ্ণৱবাদৰ প্ৰচাৰক মহাপুৰুষজনাৰ তিথি উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে কোচবিহাৰৰ বিভিন্ন সত্ৰ, নামঘৰ, মন্দিৰ আদিত হোম-যজ্ঞ, নাম-প্ৰসংগকে ধৰি বিভিন্ন আধ্যাত্মিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মহাপুৰুষজনাৰ দীক্ষাস্থলী হাজো, বৰপেটাৰ পাটবাউসী, মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে বিভিন্ন সত্ৰত তিথি পালন কৰা হৈছে। মহাপুৰুষজনাৰ আদি সত্ৰ হিচাপে খ্যাত পাটবাউসী সত্ৰত আজি কীৰ্তন মহোৎসৱ পালন কৰিবলৈ লোৱা হৈছে। এই উপলক্ষে যোৱা ২২ এপ্ৰিলত কীৰ্তন থাপনা কৰা হৈছিল। সাদিনীয়াকৈ আয়োজিত এই অনুষ্ঠানৰ কালি গন্ধোৎসৱ উপলক্ষে প্ৰভাত ফেৰী আৰু নাম-প্ৰসংগ অনুষ্ঠিত হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰা হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা ভকত-বৈষ্ণৱে প্ৰজ্বলন কৰা সহস্ৰাধিক বন্তিৰে সত্ৰ-চৌহদ উজ্বলি উঠে। আজি ল'ৰা-ছোৱালীৰ মাজত খেল-ধেমালি, দিহানাম প্ৰতিযোগিতা আৰু বাৰে-ৰহণীয়া অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলাখনৰ সুহা, বৰবৰাদিকে ধৰি সত্ৰসমূহতো মহাপুৰুষজনাৰ তিৰোভাৱ তিথি পালন কৰা হৈছে। কামৰূপ জিলাৰ ৰামদিয়াৰ শুৱালকুছিকে ধৰি দামোদৰীয় সত্ৰসমূহত আজি মহাপুৰুষজনাৰ তিথি উপলক্ষে নাম-প্ৰসংগকে ধৰি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলাখনত মহাপুৰুষজনাৰ তিথি পালন সন্দৰ্ভত এয়া আমাৰ কামৰূপৰ সংবাদদাতা কৌশিক দাস –

বাইট

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ তিৰোভাৱ তিথি উপলক্ষে গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে। এটা বাৰ্তাত মুখ্যমন্ত্ৰীয়ে মহাপুৰুষজনাৰ আধ্যাত্মিকতা, তত্ব জ্ঞান আৰু সমাজমুখী আদৰ্শ সমাজ জীৱনৰ পথ প্ৰদৰ্শক হৈ ৰ'ব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

কাশ্মীৰৰ সন্ত্ৰাসবাদী আক্ৰমণক সমৰ্থন কৰা লোকৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অভিযান চলাই এই পৰ্যন্ত ১৯ জন লোকক আটক কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে কৰা মন্তব্য আৰু অসম আৰক্ষীক দিয়া নিৰ্দেশ অনুসৰি দেশ বিৰোধী মন্তব্য কৰা লোকসকলক ততালিকে আটক কৰা হৈছে। কালি বৰপেটা আৰক্ষীয়ে জাৰিফ আলী, কাছাৰ আৰক্ষীয়ে ইমৰান হুছেইন আৰু কমৰুদ্দিন আৰু তামুলপুৰ আৰক্ষীয়ে তাহিব আলী নামৰ লোকজনক গ্ৰেপ্তাৰ কৰে। ইয়াৰ আগেয়ে সামাজিক মাধ্যমত দেশ বিৰোধী মন্তব্য কৰাৰ অভিযোগত গুৱাহাটীৰ পৰা ডিম্পল বৰা ওৰফে দধীচি ডিম্পলক গোলাঘাট আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। একেদৰে শ্ৰীভূমি জিলাৰ কালিগঞ্জৰ পৰা মুস্তাক আহমেদ ওৰফে ছাহিল হক নামৰ যুৱক এজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। কামৰূপ জিলাৰ হাজোৰ পৰা আন এজন লোকক অনুৰূপ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই গুৱাহাটীত সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে সামাজিক মাধ্যমত আপত্তিজনক পোষ্ট পৰীক্ষা কৰি থকা হৈছে আৰু আৰক্ষীয়ে আপত্তিজনক মন্তব্য দেখা মাত্ৰেই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত হোৱা এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৬ উইকেটত পৰাজিত কৰে। দেলহী কেপিটেলছে বান্ধি দিয়া ১৬৩ ৰানৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে ১৮ অভাৰ আৰু ৩টা বলতেই ৪ উইকেটৰ বিনিময়ত ১৬৫ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়। দলৰ হৈ ক্ৰুণাল পাণ্ডিয়াই ৪৭টা বলত

সৰ্বাধিক ৭৩ ৰান কৰি আউট নোহোৱাকৈ থাকে। বিৰাট কোহলীয়ে ৫১ ৰানৰ বৰঙণি আগবঢ়ায়। দেলহী কেপিটেলছৰ হৈ অক্ষৰ পেটেলে দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়। দেলহী কেপিটেলছে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৬২ ৰাণ কৰে। দেলহীৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৪১ ৰান কৰে। ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ হৈ ভূৱনেশ্বৰ কুমাৰে ৩টা উইকেট দখল কৰে। ক্ৰুণাল পাণ্ডিয়াক প্লেয়াৰ অৱ মেচ ঘোষণা কৰা হয়।

কালিৰ আন এখন খেলত মুম্বাই ইণ্ডিয়ানছে লক্ষ্ণৌ ছুপাৰ জায়ণ্টছক ৫৪ ৰানত পৰাস্ত কৰে। মুম্বাইৰ ৰাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত ২১৬ ৰানৰ লক্ষ্যৰে খেলিবলৈ লোৱা লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিৰ্ধাৰিত ২০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৬১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

প্ৰতিযোগিতাত আজি জয়পুৰৰ ছেৱাই মানসিং ষ্টেডিয়ামত ৰাজস্থান ৰয়েলছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০০

News Paper REV./RNU

জম্মু-কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ পাছত দেশৰ তিনিওটা বাহিনী সক্ষম হৈ উঠাৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে ভিন ভিন শিৰোনামেৰে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দৈনিক জনমভূমি** কাকতে 'যুদ্ধ হ'ব পাৰে, পাৰমাণৱিক যুদ্ধ নহয়', **আমাৰ অসম** কাকতে 'জল-স্থল-অন্তৰীক্ষত যুদ্ধপ্ৰস্তুতি', **দৈনিক অগ্ৰদূত** কাকতে 'জল-স্থল সকলোতে যুদ্ধৰ আখৰা, যিকোনো মুহূৰ্ততে বাজিব ৰণশিঙা' শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰেডিঅ'ৰ মন কী বাত কাৰ্যসূচীত পহলগাম হত্যাকাণ্ডক কঠোৰ ভাষাৰে নিন্দা কৰাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে 'দেশবাসীৰ তেজ উতলিছে - কঠোৰ প্ৰত্যুত্তৰ দিব ভাৰতে' এই শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে। নিৰ্বাচন আয়োগে মুখ্যমন্ত্ৰী-মন্ত্ৰীসভাৰ ভিডিঅ' ৰেকৰ্ডিং কৰিবলৈ নিৰ্দেশ দিয়াৰ বাতৰি **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ত দুখন উৰণ সেঁতু মুকলি কৰাৰ বাতৰিও কাকতখনে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। যোৱা তিনিদিনত অট্টাৰি সীমান্তৰে ৫০৯ জন পাকিস্তানী নাগৰিকে ভাৰত ত্যাগ কৰাৰ বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। মাজুলীৰ ভকত চাপৰি ব্ৰহ্মপুত্ৰৰ ব্যাপক খহনীয়াৰ কবলত পৰাৰ বাতৰি **দা ছেণ্টিনেল** কাকতে 'Majuli's Bhakat Chapori in the grip of massive erosion' শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ধিঙৰ ডুমডুমীয়াত সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়িকা শিৱামণি বৰাৰ কনভয়ত দুৰ্বৃত্তই কৰা আক্ৰমণৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে 'ধিঙত ক'লা কাপোৰেৰে মুখ ঢকা দুৰ্বৃত্তৰ সন্ত্ৰাস, প্ৰদ্যুতৰ কনভয়ত ভয়ংকৰ আক্ৰমণ' এই শিৰোনামেৰে প্ৰকাশ কৰিছে। কাশ্মীৰৰ কুপৱাৰাত  সমাজকৰ্মী গুলাম ৰছুল মাৰ্গেক গুলীয়াই হত্যা কৰাৰ বাতৰিটোও কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। পাকিস্তানক সমৰ্থন কৰাৰ অভিযোগত শিলচৰ-চামগুৰি-তামুলপুৰত অধিবক্তাসহ চাৰিজনক গ্ৰেপ্তাৰ কৰাৰ বাতৰিটো **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

০০০০০০০

সুদক্ষ খেলুৱৈ, শ্ৰমিক নেতা তথা শিৱসাগৰ জিলা অনুসূচীত জাতি পৰিষদৰ সভাপতি বীৰেন দাসৰ কালি ডিব্ৰুগড়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৭ বছৰ।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৰৰীয়া হৈ থকাৰ লগতে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, আৰু মেঘালয়ৰ ঠাই বিশেষে মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। আনহাতে নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই লগতে প্ৰকাশ কৰিছে।

ইপিনে আজি পুৱাই অহা এজাক বৰষুণৰ ফলত গুৱাহাটীৰ বিভিন্ন স্থানত কৃত্ৰিম বানৰ সৃষ্টি হয়। পুৱাৰে পৰা হৈ থকা বৰষুণৰ ফলত মহানগৰীৰ বিভিন্ন স্থানত যাতায়ত ব্যাহত হৈ পৰিছে।

একেদৰে ৰাজ্যৰ বিভিন্ন প্ৰান্তত কালি হোৱা ধাৰাষাৰ বৰষুণ আৰু ধুমুহাৰ ফলত বিস্তৰ ক্ষতি হয়।

০০০০০০০

**সমাপ্ত**